**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 07-09-2026**
**Time:** 19-10 Hrs

# *Assamese Evening Bulletin*
## *Headlines*

**::::::::::::::::::::::::::::::::::::::**

১। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি নতুন দিল্লীত আন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধি-আই এম এফৰ উপ পৰিচালন সঞ্চালক নাইজেল ক্লাৰ্কক সাক্ষাৎ কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ মুম্বাইত অনুষ্ঠিত হ'বলগীয়া গ্লোৱেল ফিনটেক ফেষ্ট-চমুকৈ জি এফ এফ ২০২৬ৰ উদ্বোধন কৰিব।

৩। গৃহমন্ত্ৰী অমিত শ্বাহে টালেগাঁৱৰ ড° শ্যামাপ্ৰসাদ মুখাৰ্জী ইন্দোৰ ষ্টেডিয়ামত আয়োজিত এটা অনুষ্ঠানত গোৱা আৰক্ষীলৈ ৰাষ্ট্ৰপতিৰ পুলিচ কালাৰ সন্মান বঁটা আগবঢ়ায়।

৪। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা চমুকৈ ইছ্ৰোৰ অধ্যক্ষ ভি নাৰায়ণে সংস্থাটোৰ ব্যক্তিগতকৰণৰ খবৰ অস্বীকাৰ কৰিছে। ***আৰু***

৫। লাক্‌জেমবাৰ্গৰ শক্তি আৰু পৰ্যটন মন্ত্ৰী লেক্স ডেলেচে আজি নতুন দিল্লীত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ মন্ত্ৰী ড° জীতেন্দ্ৰ সিঙক সাক্ষাৎ কৰে।

০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি নতুন দিল্লীত আন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধি-আই এম এফৰ উপ পৰিচালন সঞ্চালক নাইজেল ক্লাৰ্কক সাক্ষাৎ কৰে। বিত্ত মন্ত্ৰালয়ে জনোৱা মতে এই বৈঠকত ভাৰত আৰু আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ সম্পৰ্ক সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। ভাৰতে আই এম এফৰ দক্ষিণ এছিয়া আঞ্চলিক প্ৰশিক্ষণ আৰু কাৰিকৰী সহায়তা কেন্দ্ৰক আগবঢ়োৱা সহযোগিতাক উপ পৰিচালন সঞ্চালকগৰাকীয়ে প্ৰশংসা কৰে। দুয়োপক্ষই অৰ্থনৈতিক সহযোগিতা শক্তিশালী কৰাৰ লগতে সুস্থ অৰ্থনৈতিক নীতি সমৰ্থন কৰা আৰু আঞ্চলিক তথা বিশ্ব অৰ্থনীতিৰ স্থিতিস্থাপকতা বৃদ্ধিৰ বাবে ভাৰত আৰু আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ মাজত নিয়মীয়া যোগাযোগৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই বৈঠকতে ভাৰত আৰু বিশ্ব অৰ্থনীতিৰ ভৱিষ্যত আৰু ইয়াৰ সম্ভাৱনাৰ বিষয়েও আলোচনা কৰা হয়। ভাৰতৰ পৰিৱৰ্তিত অৰ্থনৈতিক বিকাশৰ ধাৰা আৰু বিশ্ব অৰ্থনৈতিক পৰিৱেশত চলি থকা পৰিৱৰ্তনৰ প্ৰভাৱৰ বিষয়েও দুয়োপক্ষই আলোচনা কৰে। মন্ত্ৰালয়ে জনোৱা মতে, নাইজেল ক্লাৰ্কে বৰ্তমানৰ পৰিস্থিতিত ভাৰতৰ অৰ্থনৈতিক বিকাশ, স্থিতিস্থাপকতাৰ প্ৰশংসা কৰে। লগতে পশ্চিম এছিয়াৰ সংকটৰ পাছত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা বিত্তীয় ব্যৱস্থাপনা আৰু বিভিন্ন সহায়-সহযোগিতাৰ শলাগ লয়।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ মুম্বাইত অনুষ্ঠিত হ'বলগীয়া গ্লোৱেল ফিনটেক ফেষ্ট-চমুকৈ জি এফ এফ ২০২৬ৰ উদ্বোধন কৰিব। জি এফ এফ হৈছে বিশ্বৰ অন্যতম বৃহৎ আৰু প্ৰভাৱশালী বাৰ্ষিক বিত্তীয় প্ৰযুক্তি সন্মিলন। উল্লেখযোগ্য যে জি এফ এফ ২০২৬ ৰ জৰিয়তে ডিজিটেল লেনদেন আৰু বিত্তীয় অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত ভাৰতৰ নেতৃত্বৰ ওপৰত ভিত্তি কৰি সম্ভাৱনাৰ পৰা বাস্তৱ প্ৰভাৱৰ দিশে আগবঢ়োৱাৰ লক্ষ্য লোৱা হৈছে। সন্মিলনত কৃত্ৰিম বুদ্ধিমত্তা, কোৱাণ্টাম প্ৰযুক্তি আৰু অন্যান্য গুৰুত্বপূৰ্ণ তথা উদীয়মান প্ৰযুক্তিয়ে কেনেদৰে বিশ্বজুৰি নাগৰিক, উদ্যোগ আৰু অৰ্থনীতিৰ বাবে বিশ্বাসযোগ্য, সৰ্বাঙ্গীন আৰু পৰিমাপযোগ্য ফলাফল সৃষ্টি কৰিব পাৰে সেই বিষয়ে আলোচনা কৰা হ'ব।

০০০০

গৃহমন্ত্ৰী অমিত শ্বাহে টালেগাঁৱৰ ডঃ শ্যামাপ্ৰসাদ মুখাৰ্জী ইন্দোৰ ষ্টেডিয়ামত আয়োজিত এটা অনুষ্ঠানত গোৱা আৰক্ষীলৈ ৰাষ্ট্ৰপতিৰ পুলিচ কালাৰ সন্মান বঁটা আগবঢ়ায়। অনুষ্ঠানত ভাষণ দি গৃহমন্ত্ৰীগৰাকীয়ে গোৱা আৰক্ষীৰ সেৱাৰ মনোভাৱ, পেছাদাৰিত্ব আৰু অনুশাসনৰ প্ৰশংসা কৰে। আভ্যন্তৰীণ নিৰাপত্তা বৰ্তাই ৰখা উপকূল সুৰক্ষা আৰু গোৱাৰ পৰ্যটন আৰু অৰ্থনীতি ৰক্ষাৰ ক্ষেত্ৰত আৰক্ষী বাহিনীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলিও তেওঁ মন্তব্য কৰে। গৃহমন্ত্ৰীগৰাকীয়ে কৰ্তব্যৰত অৱস্থাত প্ৰাণ হেৰুওৱা গোৱাৰ আৰক্ষী জোৱানসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। গৃহমন্ত্ৰী শ্বাহে গোৱাৰ আৰক্ষী বাহিনীক মাদক দ্ৰব্যৰ বিৰুদ্ধে যুজ দিয়াৰ ক্ষেত্ৰত আগভাগ লবলৈ আৰু ২০২৯ চনৰ ভিতৰত মাদক দ্ৰব্য সম্পূৰ্ণৰূপে নিৰ্মুল কৰাৰ লক্ষ্যৰে কাম কৰিবলৈ আহ্বান জনায়। এই অনুষ্ঠানত গোৱাৰ মুখ্যমন্ত্ৰী প্ৰমোদ সাৱন্ত, আৰক্ষী সঞ্চালক প্ৰধান আলোক কুমাৰকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা চমুকৈ ইছৰোৰ অধ্যক্ষ ভি নাৰায়ণে সংস্থাটোৰ ব্যক্তিগতকৰণৰ খবৰ অস্বীকাৰ কৰিছে। আজি বাংগালুৰুত চি আই আইয়ে আয়োজন কৰা এখন বাণিজ্য মেলাত অংশগ্ৰহণ কৰি সাংবাদিকৰে হোৱা কথা বতৰাত ইছৰোৰ মুৰববীগৰাকীয়ে কয় যে ইছৰো হৈছে এটা চৰকাৰী সংস্থা আৰু এই সংস্থাটোৰ ব্যক্তিগত কৰণৰ কোনো প্ৰশ্নই উত্থাপন হ'ব নোৱাৰে। অৱশ্যে চৰকাৰে দিয়া নিৰ্দেশ অনুসৰি আৰু নতুন মহাকাশ নীতিৰ সৈতে সংগতি ৰাখি ব্যক্তিগত খণ্ড মহাকাশ কাৰ্যসূচীৰ সৈতে জড়িত হৈ আছে বুলিও তেওঁ মন্তব্য কৰে।

০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোৱেলে আজি দেশখনক বিশ্বৰ ঔষধৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লগতে আন্তৰ্জাতিকভাৱে স্বাস্থ্য সেৱাৰ উল্লেখযোগ্য স্থান হিচাপে পৰিগণিত কৰাৰ বাবে আহ্বান জনায়। নতুন দিল্লীত ফাৰ্মা মেটচ্ টেক আৰু লেব নেক্সড ২০২৬ উদ্বোধন কৰি শ্ৰীগোৱেলে স্বাস্থ্য খণ্ডৰ বৰ্ধিত গুৰুত্বৰ ওপৰত আলোকপাত কৰাৰ লগতে নতুন ঔষধ আৰু শেহতীয়া চিকিৎসা সৰঞ্জামৰ বিকাশ সন্দৰ্ভতো মত প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে দেশৰ মুক্ত বাণিজ্য চুক্তিসমূহৰ জৰিয়তে সৃষ্টি হোৱা সুযোগসমূহ ব্যৱহাৰ কৰিবলৈ এই উদ্যোগৰ সৈতে জড়িত সকললৈ আহ্বান জনায়। শ্ৰীগোৱেলে দেশৰ বিকাশৰ যাত্ৰাত বৰঙণি যোগাবলৈ সকলো পক্ষলৈ আহ্বান জনোৱাৰ লগতে সকলোৰে বাবে মানসম্পন্ন শিক্ষা, স্বাস্থ্য সেৱা আৰু সা-সুবিধা সুনিশ্চিত কৰাৰ হকে কাম কৰাৰ পোষকতা কৰে। গৱেষণা, ঔষধ তথা চিকিৎসা খণ্ডৰ সা-সৰঞ্জামসমূহৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হৈ উঠাৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰি শ্ৰীগোৱেলে এই খণ্ডত আত্ম নিৰ্ভৰশীলতা ত্বৰান্বিত কৰাৰ উদ্দেশ্যে যৌথ পদক্ষেপসমূহৰ লগতে ক্ৰেতা-বিক্ৰেতাৰ সম্পৰ্ক অধিক শক্তিশালী কৰি তোলাৰ পোষকতা কৰে।

০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি ৰাজ্যসমূহৰ বৰ্ধিত অংশগ্ৰহণৰ জৰিয়তে কৃষি বিজ্ঞানকেন্দ্ৰসমূহৰ কাম-কাজ অধিক শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে কাৰ্যপন্থা পৰ্যালোচনা কৰিবলৈ আয়োজিত এখন বিশেষ বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত অহা বছৰ মাৰ্চৰ পূৰ্বে কৃষি বিজ্ঞান কেন্দ্ৰসমূহে অগ্ৰাধিকাৰ দিয়া আন্তঃগাথনিমূলক দিশসমূহ বিকশিত কৰি তোলাৰ কাৰ্যপন্থা আলোচনা কৰা হয়। বৈঠকত শ্ৰীচৌহানে নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত লক্ষ্যত উপনীত হবলৈ ৰাজ্যচৰকাৰসমূহৰ  সক্ৰিয় অংশগ্ৰহণ তথা সঠিক সমৰ্থন লাভ কৰাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে কৃষি বিজ্ঞান কেন্দ্ৰসমূহৰ  বিকাশৰ বাবে কেন্দ্ৰ আৰু ৰাজ্যৰ শক্তিশালী সমন্বয়, যথাসময়ত বিত্তীয় সমৰ্থন, আধুনিক আন্তঃগাথনি, যথেষ্ট জনবল আৰু জিলাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা কাৰ্যপন্থাসমূহৰ সঠিক ৰূপায়ণৰ প্ৰয়োজন। ইয়াৰ জৰিয়তে কৃষক সম্প্ৰদায়সমূহ উপকৃত হোৱাৰ লগতে কৃষি খণ্ডত দিয়া দিয়া শেহতীয়া প্ৰত্যাহ্বানসমূহৰ মুখামুখি হ'ব পাৰি বুলি তেওঁ মত প্ৰকাশ কৰে। ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ কেন্দ্ৰৰ সৈতে শক্তিশালী সমন্বয় থকা উচিত বুলি উল্লেখ কৰি তেঁও কয় যে ইয়াৰ জৰিয়তে কৃষি বিজ্ঞান কেন্দ্ৰসমূহ গ্ৰামীন উদ্যমিতা, উদ্ভাৱন, দক্ষতা বিকাশ তথা কৃষি প্ৰযুক্তি উপলভ্যতাৰ ক্ষেত্ৰত কাৰ্যকৰী মঞ্চ হিচাপে বিকশিত হৈ উঠিব। কৃষি বিজ্ঞান কেন্দ্ৰসমূহৰ সাম-কাজ সুচাৰুৰূপে ৰূপায়িত হোৱাটো সুনিশ্চিত কৰিবলৈ জনবল অতি গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি তেওঁ কয় যে ৰাজ্যসমূহে খালী থকা পদসমূহ সময়মতে পূৰ কৰা উচিত। বৈঠকত ২০২৮ চনৰ ডিচেম্বৰৰ পূৰ্বে সকলো কৃষি বিজ্ঞান

কেন্দ্ৰত ইনকিউবেচন তথা দক্ষতা কেন্দ্ৰ স্থাপনৰ সবিশেষ আলোচনা কৰা হয়। তদুপৰি বৈঠকত প্ৰধানমন্ত্ৰী ধন ধন্য কৃষি যোজনা ৰূপায়ণ কৰা কৃষি বিজ্ঞান কেন্দ্ৰসমূহৰ ভূমিকাৰ বিষয়েও আলোচনা কৰা হয়।

০০০০

মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে বাৰাণসীত পৰহিলৈ নৰম ৰাষ্ট্ৰীয় পোষণ মাহ ২০২৬ মুকলি কৰিব। পোষণৰ দ্বিতীয় সংস্কৰণ আৰু সক্ষম অংগনৱাড়ী মিছনৰ অধীনত পৰিপূৰক পুষ্টি আঁচনিৰ নিয়মাৱলীৰ সংশোধনীৰে চলিত বৰ্ষত এই কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। অংগনৱাড়ী ব্যৱস্থাপনা সমিতিৰ গঠন আৰু প্ৰথমবাৰৰ বাবে  গৰম ৰন্ধা খাদ্য আৰু পৰিপূৰক পুষ্টি কাৰ্যসূচীৰ খাদ্যৰ তালিকা প্ৰস্তুতৰ পৰিষদ গঠনৰ নিৰ্দেশ দিয়া হ'ব। পৰিপুষ্ট ভাৰতক আধাৰ হিচাপে লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ২০৪৭ চনৰ বিকশিত ভাৰতৰ লক্ষ্যৰ বাবে ২০১৮ চনত ৰাষ্ট্ৰীয় বিকাশ কাৰ্যসূচীৰ অধীনত পোষণ অভিযান আৰম্ভ কৰা হৈছিল। মহিলা, শিশু আৰু কিশোৰ-কিশোৰীৰ মাজত পৰিপুষ্টি, স্বাস্থ্য আৰু স্বাস্থ্য যতনৰ অভ্যাস গঢ়ি তোলাৰ বাবে প্ৰতিবছৰে ছেপ্তেম্বৰ মাহত পালন কৰা পোষণ মাহৰ কাৰ্যসূচী গণ আন্দোলন হিচাপে পৰিগণিত হৈছে। কেন্দ্ৰীয় মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে **হামাৰী অংগনৱাড়ী, হামাৰী জিম্মেদাৰী** শীৰ্ষৰে এই কাৰ্যসূচী মুকলি কৰিব।

০০০০

লাক্‌জেমবাৰ্গৰ অৰ্থনীতি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ শক্তি আৰু পৰ্যটন মন্ত্ৰী লেক্স ডেলেচে আজি নতুন দিল্লীত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ মন্ত্ৰী ড° জীতেন্দ্ৰ সিঙক সাক্ষাৎ কৰে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা মন্ত্ৰালয়ে জনোৱা মতে, বৈঠকত দুয়োগৰাকী মন্ত্ৰীয়ে মহাকাশ খণ্ডত ভাৰত আৰু লাক্‌জেমবাৰ্গৰ মাজত চলি থকা সহযোগিতাৰ স্থিতি, ভৱিষ্যত উন্নয়ন আৰু অধিক প্ৰতিষ্ঠানিক তথা বাণিজ্যিক সহযোগিতাৰ সম্ভাৱনাৰ বিষয়ে আলোচনা কৰে।  এই আলোচনা সন্দৰ্ভত মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে কয় যে ভাৰত আৰু লাক্‌জেমবাৰ্গৰ মাজৰ সু-সম্পৰ্কই দুয়োখন দেশৰ মাজত চলি থকা সহযোগিতাক অধিক শক্তিশালী কৰিব। ২০২২ চনৰ ফেব্ৰুৱাৰীত মহাকাশৰ অন্বেষণ আৰু ব্যৱহাৰৰ ক্ষেত্ৰত সহযোগিতাৰ বাবে ভাৰত আৰু লাক্‌জেমবাৰ্গৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছিল বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে মহাকাশখণ্ড দুয়োখন দেশৰ দ্বিপাক্ষিক অংশীদাৰিত্বৰ এক গুৰুত্বপূৰ্ণ স্তম্ভ। মন্ত্ৰালয়ে জনোৱা মতে, এই অংশীদাৰিত্বৰ বাণিজ্যিক দিশো শেহতীয়াকৈ গঢ় লৈ উঠিছে। এই অংশীদাৰিত্বৰ বাবে লাক্‌জেমবাৰ্গৰ দুটা কৃত্ৰিম উপগ্ৰহ পি এছ এল ভিৰ জৰিয়তে উৎক্ষেপন কৰা হৈছে। এই বৈঠকত লেক্স ডেলেচে মহাকাশ, উপগ্ৰহ যোগাযোগ, কৃত্ৰিম  বুদ্ধিমত্তা, চাইবাৰ সুৰক্ষা আৰু উচ্চ ক্ষমতা সম্পন্ন কম্পিউটাৰৰ সুবিধাৰ ক্ষেত্ৰত লাক্‌জেমবাৰ্গৰ ভাৰতৰ সৈতে বাঢ়ি অহা সম্পৰ্কৰ বিষয়েও আলোচনা কৰে। লাক্‌জেমবাৰ্গৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহে  ভাৰতত তেওঁলোকৰ ব্যৱসায় অধিক সম্প্ৰসাৰণ কৰাৰ সম্ভাৱনাৰ বিষয়েও আলোচনা কৰা হয়।
০০০০

০০০০

ঃঃ সমাপ্ত ঃঃ